# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-11-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ শ্ৰী সত্য সাই জিলাত শ্ৰী সত্য সাইবাবাৰ জন্ম শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে।

২। উচ্চতম ন্যায়ালয়ে আজি বিভিন্ন ন্যায়াধীকৰণৰ সদস্য নিযুক্তি কাৰ্যকাল আৰু সেৱা চৰ্ত সম্পৰ্কীয় ২০২১ চনৰ ন্যায়াধীকৰণ সংশোধনী আইনৰ কেইবাটাও ব্যৱস্থা খাৰিজ কৰে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত ২০২৬-২৭ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় বাজেট সন্দৰ্ভত বেংকিং, বিত্তীয় সেৱা আৰু বীমা খণ্ডৰ বিশেষজ্ঞসকলৰ সৈতে সপ্তম প্ৰাক বাজেট আলোচনাত মিলিত হয়।

৪। নাগালেণ্ডৰ ক'হিমাৰ কিচামা গাঁৱত ১ৰ পৰা ১০ ডিচেম্বৰলৈ হৰ্নবিল মহোৎসৱ অনুষ্ঠিত হ'ব।

আৰু

৫। অৰুন্ধতী চৌধৰীয়ে গ্ৰেটাৰ নয়দাত অনুষ্ঠিত বিশ্বকাপ বক্সিঙৰ ফাইনেলত প্ৰৱেশ কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ শ্ৰী সত্য সাই জিলাত শ্ৰী সত্য সাইবাবাৰ জন্ম শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে পুট্টপাৰ্থিত থকা সাইবাবাৰ মহা সমাধিত প্ৰাৰ্থনা জনায় আৰু পুষ্পাৰ্ঘ্য নিবেদন কৰে। শ্ৰী মোদীয়ে লগতে সাই বাবাৰ জীৱন শিকনি আৰু আধ্যাত্মিক ঐতিহ্য সন্দৰ্ভত এটা স্মাৰক মুদ্ৰা আৰু এলানি ডাক টিকটো উন্মোচন কৰে। তেওঁ লগতে বিত্তীয় সুৰক্ষাৰ জৰিয়তে কন্যা শিশুৰ সৱলীকৰণৰ লক্ষ্যৰে সুকন্যা সমৃদ্ধি যোজনা মুকলি কৰে। ইয়াৰ আগেয়ে প্ৰধানমন্ত্ৰীয়ে প্ৰশান্তি নিলয়মৰ মহা সমাধিত বিশেষ প্ৰাৰ্থনাত ভাগ লয়। তেওঁ লগতে গো-দানম কাৰ্যসূচীত ভাগ লয় আৰু কৃতজ্ঞতা প্ৰকাশৰ পৰম্পৰাগত নীতি অনুসৰি চাৰিগৰাকী কৃষকক গো দান কৰে।

000000000

উচ্চতম ন্যায়ালয়ে আজি বিভিন্ন ন্যায়াধীকৰণৰ সদস্য নিযুক্তি কাৰ্যকাল আৰু সেৱা চৰ্ত সম্পৰ্কীয় ২০২১ চনৰ ন্যায়াধীকৰণ সংশোধনী আইনৰ কেইবাটাও ব্যৱস্থা খাৰিজ কৰে। মুখ্য ন্যায়াধীশ বি আৰ গৱাই আৰু ন্যায়াধীশ কে বিনোদ চন্দনক লৈ গঠিত এখন বিচাৰপীঠে কয়, যে কেন্দ্ৰীয় চৰকাৰে এই ব্যৱস্থাসমূহ সামান্য সাল-সলনিৰে ইতিমধ্যে প্ৰণয়ন কৰিছে। বিচাৰপীঠখনে কয়, যে বাতিল কৰা ব্যৱস্থাসমূহৰ জৰিয়তে ক্ষমতাৰ বিভাজনৰ নীতি উলংঘা হৈছিল। বিচাৰাধীন গোচৰৰ বৰ্ধিত সংখ্যাৰ সমস্যা দূৰ কৰাটো অকল ন্যায় পালিকাৰে দায়িত্ব নহয়, বৰং এইক্ষেত্ৰত চৰকাৰৰ দায়িত্ব আছে বুলি বিচাৰপীঠখনে উল্লেখ কৰে। ন্যায়ালয়ে কাৰ্যকাল সম্পৰ্কীয় পূৰ্বৰ নিৰ্দেশাৱলী পুনৰ প্ৰৱৰ্তন কৰাৰ ৰায় দিয়ে। ন্যায়ালয়ে আয়কৰ আপীল ন্যায়াধীকৰণ আৰু আবকাৰী তথা সেৱা শুল্ক আপীল ন্যায়াধীকৰণ সদস্যসকল ৬২ বছৰ বয়সলৈকেহে পদত অধিষ্ঠিত হৈ থাকিব পাৰিব বুলি স্পষ্ট কৰি দিয়ে। ইয়াৰ পূৰ্বে সৰ্বোচ্চ ন্যায়ালয়ে ২০২১ চনৰ ন্যায়াধীকৰণ সংশোধনী আইনৰ সাংবিধানিক বৈধতাক লৈ প্ৰশ্ন কৰি দাখিল কৰা আবেদন সন্দৰ্ভত ৰায়দান সুৰক্ষিত ৰাখিছিল।

000000000

ভাৰত, খাদ্য সামগ্ৰীৰ মান নিৰ্ধাৰণ কৰা আন্তঃৰাষ্ট্ৰীয় সংস্থা CODEX-ৰ এছিয়া অঞ্চলৰ বাবে থকা কাৰ্যবাহী সমিতিলৈ পুনৰ নিৰ্বাচিত হৈছে। গোলকীয় সদস্যপদ সমিতিয়ে সৰ্বসন্মতিক্ৰমে এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে। এই সিদ্ধান্তই ২০২৭ বৰ্ষলৈকে ভাৰতৰ নেতৃত্বৰ ভূমিকাত প্ৰতিফলিত কৰা বুলি মন্ত্ৰালয়ে উল্লেখ কৰিছে। মন্ত্ৰালয়ে জনায়, যে ৪৮ সংখ্যক CODEX পৰিপুষ্টি আয়োগ সত্ৰত ভাৰতৰ ভূমিকা ইতিবাচক আছিল আৰু

সকলোৰে সমন্বিত বিশ্বজনীন খাদ্য ব্যৱস্থাৰ প্ৰতি দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা মানি লৈছে। ভাৰতে ভালেমান গোলকীয় মানৰ প্ৰতিষ্ঠা আৰু প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাৰতে বিশেষকৈ খাদ্য সামগ্ৰীত সংযোজন কৰা বিভিন্ন পদাৰ্থ আৰু কীটনাশকৰ অৱশিষ্টৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০০০০০

নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই ৰাজ্যখনত সুৰক্ষিত এলেকা অনুমতি ব্যৱস্থা পুনৰ আৰোপ কৰাৰ বিষয়টো ততালিকে পুনৰীক্ষণ কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰতি আহ্বান জনাইছে। শ্ৰী ৰিঅ'ই এখন পত্ৰযোগে সুৰক্ষাজনিত উদ্বেগৰ বাবে নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত ২০২৪ চনৰ ১৭ ডিচেম্বৰৰ পৰা পুনৰ বাহাল কৰা সুৰক্ষিত এলেকা অনুমতি ব্যৱস্থা নাগালেণ্ডৰ বাবে আৱশ্যকীয় নহয় বুলি উল্লেখ কৰে। তেওঁ কয়, যে ইয়াৰ ফলত পৰ্যটন ক্ষেত্ৰৰ ক্ষতি হ'ব পাৰে। নাগালেণ্ডৰ পৰিস্থিতি সদায় শান্তিপূৰ্ণ হৈ আছে আৰু ৰাজ্যখনৰ শৰণাৰ্থী নাহে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যিক মন্ত্ৰীসভাৰ এই বিষয়টো লৈ কেইবাবাৰো আলোচনা হৈছে আৰু চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা গৃহ মন্ত্ৰালয়লৈ পত্ৰ লিখি অনুমতি ব্যৱস্থাৰ ক্ষেত্ৰত সকাহ প্ৰদান কৰিবলৈ বাৰে বাৰে অনুৰোধ কৰা হৈছে। পৰ্যটন আৰু শিক্ষাক্ষেত্ৰৰ বিভিন্ন সংস্থাৰ লগতে নাগৰিক সমাজ গোটেও বিষয়টো লৈ চিন্তা প্ৰকাশ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰী ৰিঅ'ই কয়, যে এই নিষেধাজ্ঞাই বিদেশী পৰ্যটকৰ আগমনৰ ক্ষেত্ৰত বিশেষকৈ ডিচেম্বৰত হ'বলগীয়া হৰ্ণবিল মহোৎসৱৰ পূৰ্বে বিৰূপ প্ৰভাৱ পেলাব পাৰে। নাগালেণ্ডৰ অনুমতিৰ নতুন নীতি-নিৰ্দেশ জাৰি কৰিবলৈও তেওঁ আহ্বান জনায়।

০০০০০০০০০

–কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত ২০২৬-২৭ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় বাজেট সন্দৰ্ভত বেংকিং, বিত্তীয় সেৱা আৰু বীমা খণ্ডৰ বিশেষজ্ঞসকলৰ সৈতে সপ্তম প্ৰাক বাজেট আলোচনাত মিলিত হয়। বৈঠকত বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধ্ৰী, অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব, কেন্দ্ৰীয় চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা আৰু মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। বিত্তমন্ত্ৰীগৰাকীয়ে কালি ষ্টাৰ্টআপ খণ্ড আৰু মূলধনী বজাৰৰ অংশীদাৰসকলৰ সৈতে আলোচনাত মিলিত হয়। বিত্ত মন্ত্ৰালয়ে সাধাৰণতে বাজেট দাখিলৰ পূৰ্বে প্ৰত্যেক বছৰে বিশেষজ্ঞ, উদ্যোগ জগতৰ কাণ্ডাৰী, অৰ্থনীতিবিদ আৰু ৰাজ্যিক বিষয়াসকলৰ সৈতে কেইবালানিও প্ৰাক্ বাজেট পৰামৰ্শ বৈঠকত মিলিত হয়। কেন্দ্ৰীয় বাজেটত বিভিন্ন দৃষ্টিভংগী আৰু অৰ্থনৈতিক অগ্ৰাধিকাৰৰ প্ৰতিফলন ঘটাটো সুনিশ্চিত কৰাই এনে আলোচনাৰ মূল উদ্দেশ্য।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ যোগাযোগ আৰু গ্ৰামোন্নয়ন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ডঃ চন্দ্ৰশেখৰ পেম্মাছানিয়ে বাকুৰ বসবাস কৰা ভাৰতীয় মূলৰ নাগৰিকসকলৰ যুৱচামক তেওঁলোকৰ দ্বৈত পৰিচয়ক লৈ গৌৰৱ অনুভৱ কৰিবলৈ আহ্বান জনাইছে। আনহাতে আধুনিক তথা বহুমুখী সংস্কৃতিক আঁকোৱালি লোৱাৰ মাজতো তেওঁলোক ভাৰতবৰ্ষৰ প্ৰাচীন জ্ঞানৰ সৈতে শিপাৰে সংযুক্ত হৈ ৰোৱা উচিত বুলিও মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

আজাৰবাইজানৰ ৰাজধানী মহানগৰীখনত এহেজাৰগৰাকীতকৈও অধিক ভাৰতীয় নাগৰিকে অংশগ্ৰহণ কৰা এটা অনুষ্ঠানত ভাষণ দি তেওঁ লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত ভাৰতৰ স্থিতি শক্তিশালী কৰা আৰু ইয়াৰ ভৱিষ্যতক গঢ় দিয়াৰ ক্ষেত্ৰত ভাৰতীয় মূলৰ এই লোকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই অনুষ্ঠানত আজাৰবাইজানত বসবাস কৰি থকা ৩৮০ গৰাকী ভাৰতীয় শিক্ষাৰ্থীৰ লগতে তেল আৰু গেছ , আতিথ্য, পণ্য সামগ্ৰীৰ ব্যৱসায় আদি খণ্ডৰ সৈতে জড়িত বৃত্তিজীৱী লোকসকলেও অংশগ্ৰহণ কৰে। ডঃ পেম্মাছানিয়ে Indian Azerbaijan Association, Azerbaijan Telugu Association, Baku Tamil Sangham, and the Indian Students Association of Azerbaijan কে ধৰি সাংস্কৃতিক আৰু শিক্ষাৰ্থীৰ সংস্থাসমূহৰ

ভূমিকাৰ বিষয়ে উল্লেখ কৰি এই সম্প্ৰদায়টোৰ একতাৰ শলাগ লয়। এনে সংস্থাসমূহে ঘৰৰ পৰা আঁতৰত থাকিও সাংস্কৃতিক সম্পৰ্কক শক্তিশালী কৰি ৰাখিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

0000000

নাগালেণ্ডৰ ক'হিমাৰ কিচামা গাঁৱত ১ৰ পৰা ১০ ডিচেম্বৰলৈ হৰ্নবিল মহোৎসৱ অনুষ্ঠিত হ'ব। নাগালেণ্ড চৰকাৰে এই মহোৎসৱৰ বাবে চুইজাৰলেণ্ড আৰু আয়াৰলেণ্ডক সহযোগী ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত সুকীয়া বৈঠকৰ পাছত এই ঘোষণা কৰা হয়। নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু নতুন দিল্লীত থকা চুইজাৰলেণ্ডৰ ৰাষ্ট্ৰদূত মায়া টিস্‌সাফিৰ মাজত অনুষ্ঠিত বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। চুইজাৰলেণ্ডৰ ৰাষ্ট্ৰদূতগৰাকীয়ে এই সিদ্ধান্তই দুয়োদেশৰ মাজত শক্তিশালী সাংস্কৃতিক সম্পৰ্ক আৰু বিভিন্ন ক্ষেত্ৰত ভৱিষ্যতৰ সহযোগিতাৰ পথ প্ৰশস্ত কৰিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই লগতে আয়াৰলেণ্ডৰ ৰাষ্ট্ৰদূত কেভিন কেলিক সাক্ষাৎ কৰে আৰু আয়াৰলেণ্ডক হৰ্নবিল মহোৎসৱৰ বাবে অন্য এখন সহযোগী ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰে। ৰাষ্ট্ৰদূত কেলিয়ে কয়, যে এই সহযোগিতাই আয়াৰলেণ্ড আৰু ভাৰতৰ মাজত বৰ্ধিত সাংস্কৃতিক আৰু ৰাজনৈতিক সম্বন্ধ প্ৰতিফলিত কৰিছে।

ইয়াৰ পূৰ্বে হৰ্নবিল মহোৎসৱৰ বাবে ব্ৰিটেইনকো সহযোগী ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰা হৈছিল।

0000000

৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ কাইলৈ গোৱাৰ পানাজীত আৰম্ভ হ'ব। ২৮ নৱেম্বৰলৈ হ'বলগীয়া এই মহোৎসৱত ৮০ খনতকৈও অধিক দেশৰ চলচ্চিত্ৰ নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিব। মহোৎসৱত ভাৰত আৰু বিদেশৰ ২৪০ খনতকৈও অধিক চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব।

00000000

অৰুন্ধতী চৌধৰীয়ে গ্ৰেটাৰ নয়দাত অনুষ্ঠিত বিশ্বকাপ বক্সিঙৰ  মহিলাৰ ৭০ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে।  খেলুৱৈগৰাকীয়ে আজি ছেমি ফাইনেলত তিনিবাৰৰ বিশ্ব চেম্পিয়ন জাৰ্মানীৰ লিঅ'নি আয়শ্বা মুলেৰক ৩-০ ফলাফলত পৰাস্ত কৰে। অৰুন্ধতীয়ে কাইলৈ ফাইনেলত উজবেকিস্তানৰ অজিজা জ'ক'ৰিভাৰ সন্মুখীন হ'ব। ভাৰতৰ মীনাক্ষী অংকুশ ফংগাল পাৰবীন আৰু নুপুৰেও নিজ নিজ শাখাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

000000000

সমাপ্ত